# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 12-03-2025
**Time :** 1800 HRS

## *Assamese Evening Bulletin*

- - - - - - - - - - - - - - -

ৰাজ্যখনৰ বিভিন্ন আভিযান্ত্রিক শিক্ষা প্রতিষ্ঠানৰ ঠিকাভিত্তিত কৰ্মৰত ১৪৭ গৰাকী অংশকালীন প্ৰবক্তাৰ নিযুক্তি বাতিলক কেন্দ্ৰ কৰি বিৰোধী পক্ষই বিধানসভাত সভা স্থগিত প্ৰস্তাৱ উত্থাপনৰ দাবীক লৈ আজি অসম বিধানসভাত হুলস্থূলীয়া পৰিৱেশৰ সৃষ্টি হয়। বিধানসভাত প্ৰশ্নোত্তৰ কাল অন্ত পৰাৰ পাছতেই বিৰোধী দলপতি দেৱব্ৰত শইকীয়াই এই সন্দৰ্ভত এটা সভা স্থগিত প্ৰস্তাৱ উত্থাপনৰ বাবে অধ্যক্ষৰ ওচৰত দাবী জনায়। অধ্যক্ষ বিশ্বজিৎ দৈমাৰীয়ে এই প্ৰস্তাৱ নাকচ কৰি শূন্যকালীন ঘণ্টাত বিষয়টো আলোচনা কৰাৰ বাবে পৰামৰ্শ দিয়ে যদিও কংগ্ৰেছ আৰু এ আই ইউ ডি এফৰ বিধায়কসকলৰ লগতে বিধায়ক অখিল গগৈয়ে অধ্যক্ষৰ দাবী অগ্ৰাহ্য কৰি হাতে-হাতে প্লেকাৰ্ড লৈ সদনৰ মজিয়াত প্ৰতিবাদ সাব্যস্ত কৰে। সদনত হোৱা হুলস্থূলীয়া পৰিস্থিতিৰ বাবে কাৰো মাত কোনেও নুশুনা হয় আৰু অধ্যক্ষ বিশ্বজিৎ দৈমাৰীয়ে ১০ মিনিটৰ বাবে সদনৰ কাম-কাজ স্থগিত ৰাখিবলৈ বাধ্য হয়। সদন পুনৰ মিলিত হোৱাৰ পাছতো বিৰোধী পক্ষই এই দাবী সন্দৰ্ভত চৰকাৰৰ পৰা এটা বিবৃতি দাবী কৰে। অধ্যক্ষৰ আসনত থকা উপাধ্যক্ষ নুমল মমিনে এই সন্দৰ্ভত এটা বিবৃতি দিবলৈ চৰকাৰক নিৰ্দেশ দিয়ে। সদনৰ দিনটোৰ কাম-কাজৰ অন্ত পৰাৰ কিছুসময়ৰ পূৰ্বে সংসদীয় পৰিক্ৰমা মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীয়ে আভিযান্ত্ৰিক শিক্ষা প্ৰতিষ্ঠানৰ ১৪৭ গৰাকী ঠিকাভিত্তিক প্ৰবক্তাৰ নিযুক্তি বাতিল সন্দৰ্ভত অহা ২১ মাৰ্চত ৰাজ্য চৰকাৰে সদনত এটা বিবৃতি দিব বুলি ঘোষণা কৰে।

ooooo

যোৰহাট জিলা আয়ুক্তৰ কাৰ্যালয়ত কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ অসম ভ্ৰমণ সন্দৰ্ভত এখন প্ৰস্তুতিমূলক সভা অনুষ্ঠিত হয়। কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীৰ অসম ভ্ৰমণ যাতে সুচাৰুৰূপে আৰু সফলতাৰে সম্পন্ন হয় তাৰ প্ৰতি লক্ষ্য ৰাখি আয়ুক্তগৰাকীয়ে বিভাগীয় বিষয়াসকলক পৰামৰ্শ আগবঢ়ায়। জিলা আয়ুক্তগৰাকীয়ে জিলা প্ৰশাসনৰ বিষয়াসকলৰ সৈতে দ্বিতীয়খন বৈঠকত মিলিত হৈ এই সন্দৰ্ভত বিতংভাৱে আলোচনা কৰে।

ooooo

ৰাজ্যৰ মহিলাৰ বাবে চাৰিটা সুকীয়া নিচামুক্তি আৰু পুনৰ্বাসন কেন্দ্ৰ স্থাপনৰ বাবে কেন্দ্ৰীয় চৰকাৰলৈ প্ৰস্তাৱ প্ৰেৰণ কৰা হৈছে। সামাজিক ন্যায় আৰু সবলীকৰণ বিভাগৰ মন্ত্ৰী পীযুষ হাজৰিকাই আজি বিধানসভাত এটা প্ৰশ্নৰ উত্তৰত এই কথা সদৰি কৰে। শ্ৰীহাজৰিকাই কয় যে ৰাজ্যত বৰ্তমান ২০টা নিচামুক্তি আৰু পুনৰ্বাসন কেন্দ্ৰ আছে। ইয়াৰে ছটা চৰকাৰৰ আৰু ১৪টা বেচৰকাৰী খণ্ডৰ দ্বাৰা পৰিচালিত বুলি মন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে।

ooooo

যোৰহাটৰ পুলিবৰ আজানগাঁৱৰ সমীপত আজি বিয়লি ৩৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথত হোৱা এটা পথ দুৰ্ঘটনাত দুজন শিক্ষাৰ্থী নিহত আৰু অন্য দুজন গুৰুতৰভাৱে আহত হয়।আহত ছাত্ৰী দুগৰাকীক যোৰহাট চিকিৎসা মহাবিদ্যালয় হাস্পতালত ভৰ্তি কৰোৱা হৈছে। দুৰ্ঘটনাত নিহত ছাত্ৰ দুজন কাজিৰঙা বিশ্ববিদ্যালয়ৰ।

ooooo

সাঁচি গছৰ খেতি আৰু কৃত্ৰিম ভেঁকুৰ সংস্থাপনৰ কৌশল সন্দৰ্ভত যোৰহাট বৰ্ষাৰণ্য গৱেষণা প্ৰতিষ্ঠানত আয়োজিত প্ৰশিক্ষণ কৰ্মশালাৰ আজি অন্ত পৰে। দেশৰ ৬ খন ৰাজ্যৰ ১১ জন প্ৰশিক্ষাৰ্থীয়ে এই কৰ্মশালাত অংশগ্ৰহণ কৰে। প্ৰশিক্ষণত অংশগ্ৰহণকাৰীসকলক গোলাঘাট জিলাৰ নাহৰনি অঞ্চললৈ ক্ষেত্ৰ অধ্যয়নৰ বাবে লৈ যোৱা হয়। সাঁচি খেতি তথা এই ব্যৱসায়ৰ সৈতে জড়িত বিভিন্ন ব্যক্তিৰ সৈতে কৰ্মশালাৰ প্ৰশিক্ষাৰ্থীসকলে মত বিনিময় কৰে। প্ৰশিক্ষণৰ শেষৰ দিনা প্ৰতিষ্ঠানৰ মুখ্য কাৰিকৰী বিষয়া ড০ নিবেদিতা বৰুৱাই আগৰ তেলৰ আধুনিক নিষ্কাষণ পদ্ধতিৰ বিষয়ে প্ৰশিক্ষণ আগবঢ়ায়।

০০০০০

কৃষি বিভাগৰ উদ্যোগত হাইলাকান্দি জিলাত আজিৰে পৰা দুদিনীয়া কাৰ্যসূচীৰে কৃষক মেলা অনুষ্ঠিত হৈছে। কৃষক মেলাৰ সৈতে সংগতি ৰাখি কৃষিৰ অত্যাধুনিক যন্ত্ৰৰ প্ৰদৰ্শনী, আত্মসহায়ক গোটৰ বিপণী মুকলি কৰা হয়। মেলাৰ প্ৰথম দিনটো ভালেকেইগৰাকী কৃষি বিজ্ঞানীয়ে সভাত অংশ লৈ কৃষকসকলৰ উন্নয়নৰ বাবে চৰকাৰে গ্ৰহণ কৰা বিভিন্ন আঁচনি সম্পৰ্কে বিস্তৃতভাৱে আলোচনা কৰে।

০০০০০

জয়পুৰত অনুষ্ঠিত ২০২৫ বৰ্ষৰ আইফা বঁটা প্ৰদান অনুষ্ঠানত অসমৰ বলয় কুমাৰ দলৈয়ে শ্ৰেষ্ঠ শব্দ সংমিশ্ৰণৰ শিতানত সন্মান লাভ কৰিছে। **কিল** নামৰ হিন্দী চলচ্চিত্ৰখনত কৰা শব্দ সংমিশ্ৰণৰ বাবে শ্ৰীদলৈক এই বঁটা প্ৰদান কৰা হয়। উল্লেখযোগ্য যে, অসমৰ অনুৰাগ শইকীয়াই যোৱা দেওবাৰে আইফা ডিজিটেল পুৰস্কাৰ প্ৰদান অনুষ্ঠানত শ্ৰেষ্ঠ শীৰ্ষ সংগীতৰ সন্মান লাভ কৰিছিল। **মিচমেট্‌ছড** নামৰ ডিজিটেল ধাৰাবাহিকখনৰ তৃতীয় সংস্কৰণৰ **ইস্ক হে** শীৰ্ষক গীতটিৰ বাবে সংগীত পৰিচালকগৰাকীলৈ এই সন্মান আগবঢ়োৱা হৈছিল।

০০০০০

কেন্দ্ৰীয় চৰকাৰৰ জৈৱপ্ৰযুক্তি বিভাগ আৰু ৰাজ্য চৰকাৰে অৰ্থনীতি, পৰিবেশ আৰু কৰ্মসংস্থাপনৰ বাবে জৈৱপ্ৰযুক্তি - বায়ো ই-থ্ৰী নীতিৰ অধীনত এখন ঐতিহাসিক চুক্তি স্বাক্ষৰ কৰিছে। এই চুক্তিৰ জৰিয়তে ৰাজ্যত বহনক্ষম জৈৱপ্ৰযুক্তি অনুকূল বাতাবৰণ গঢ়ি জৈৱ উৎপাদন ত্বৰান্বিত কৰাৰ লক্ষ্য ধাৰ্য কৰা হৈছে। চুক্তিৰ অধীনত জৈৱপ্ৰযুক্তি বিভাগে যাৱতীয় দিহা-পৰামৰ্শ আগবঢ়াব আৰু সহযোগিতাৰ পথ সূচল কৰিব। ইয়াৰ বিপৰীতে ৰাজ্য চৰকাৰে বায়ো ই-থ্ৰী কোষ গঠন কৰি এই উদ্যমক আগুৱাই লৈ যাব। ৰাজ্য চৰকাৰে অসম বায়ো ই-থ্ৰী পৰিকল্পনাও যুগুতাই উলিয়াব। উল্লেখযোগ্য যে কেন্দ্ৰীয় মন্ত্ৰীসভাই যোৱা আগষ্টত ভাৰতবৰ্ষক জৈৱ আধাৰিত উদ্ভাৱনৰ অগ্ৰণী ৰূপে গঢ়ি তোলাৰ পৰিকল্পনা গ্ৰহণ কৰিছে।

০০০০০

লোকপ্ৰিয় গোপীনাথ বৰদলৈ ট্ৰফী ফুটবল প্ৰতিযোগিতাৰ ফাইনেলত কাইলৈ উত্তৰ-পূব সীমান্ত ৰে'লৰে ক্ৰীড়া সন্থা নৰ্থ ইষ্ট ইউনাইটেড ফুটবল ক্লাবৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। নৰ্থ-ইষ্ট ইউনাইটেড ফুটবল ক্লাবে কালি গুৱাহাটীৰ জজ খেলপথাৰত অনুষ্ঠিত প্ৰতিযোগিতাৰ দ্বিতীয়খন ছেমি ফাইনেলত শ্বিলং লাজং ফুটবল ক্লাবক ১-০ গলত পৰাস্ত কৰি ফাইনেলত স্থান নিশ্চিত কৰে। উত্তৰ-পূব সীমান্ত ৰে'লৰে ক্ৰীড়া সন্থাই সোমবাৰে অনুষ্ঠিত প্ৰথমখন ছেমি ফাইনেলত গ্ল'বেল ফুটবল ক্লাবক ৩-১ গ'লৰ ব্যৱধানত পৰাভূত কৰি ফাইনেলত প্ৰৱেশ কৰে।

০০০০০

সমাপ্ত